بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২৪ মেত মছজিদ মোবাৰক ইছলামাবাদ টলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে নিম্ন লিখিত কোৰ-আনৰ আয়াত পাঠ কৰি তৰজমা পঢ়ি শুনায়। উল্লেখিত আয়াত হল-ইন্নামা কানা কাউলাল মোমিনিনা ইজা দুউ ইল্লাল্লাহি ওয়া ৰাছুলিহি লিহয়াহকুমা বায়নাহুম আইয়াকুলু ছামিনা ওয়া আতানা ওয়া ওলাইকা হুমুল মফলিহুন ওয়া মাইউতি ইল্লাহা ওয়া ৰাছুলাহু ওয়া ইয়াখশাল্লাহা ওয়া ইয়াত্তাকহি ফাউলায়ইকা হুমুল ফায়ত্ৰজুন ওয়া আকছামু বিল্লাহি জাহদা আয়মা নিহিম লাইন আমাৰ তহুম লাইয়াখৰুজুন্না কুল্লা তুকছিমু তাআতুম মাৰুফা ইন্নাল্লাহা খাবিৰুম বিমা তামালুন কুল আতিউল্লাহা ওয়া আতিউৰ ৰাছুলাল্লাহুল্লাজিনা আমানু মিনকুম ওয়া আমিলুচ্ছালিহাতি লাইয়াছতাখলি ফান্নাহুম ফিল আৰজে কামাছ তাখলা ফাল্লাজিনা মিন কাবলিহিম; ওয়া লা ইউমাক্কিনান্না লাহুম দ্বিনা হুমুল্লাজিৰ তাজালাহুম ওয়া লা ইউ বাদ্দি লান্নাহুম মিম বাদি খাওফিহিম আমনা ইয়া বদুনানি লা ইউশৰিকুনা বি শ্বাইয়া ওয়া মান কাফাৰা বাদা জলিকা ফাউলায়ইকা হুল ফাছেকুন ওয়া আকিমুচ্ছালাতা ওয়া আতুছ জাকাতা ওয়া আতিউৰ ৰাছুলা লাআল্লাকুম তুৰ হামুন লা তাহছা বান্নাল্লাজিনা কাফাৰু মোজি জিনা ফিল আৰজ ওয়া মা ওয়া হুমুন্নাৰ ওয়া লা বিছাল মাছিৰ (ছুৰা নুৰ ৫২ৰ পৰা ৫৮লৈ) উক্ত আয়াত সমুহৰ তৰজমা এনেদৰে-

যেতিয়া বিশ্বাসী সকলক আল্লা আৰু তেওঁৰ ৰছুলৰ ফাললৈ আহবান জনোৱা হয়, যাতে তেওঁলোকৰ মাজত তেওঁ বিচাৰ কৰে, উত্তৰত তেওঁলোকে এখেকাৰ কথা কয়, আমি মন দি শুনিছেঁ আৰু বাধ্যতা স্বীকাৰ কৰিছোঁ। আৰু এই সকলেই সফল মনোৰথ। আৰু যি সকলে আল্লা আৰু তেওঁৰ ৰছুলৰ বাধ্য হয়, আৰু আল্লালৈ ভয় ৰাখে, আৰু তেওঁৰ কাৰণে পাপৰ পৰা নিবৃত্ত থাকে সেই সকলেই কৃতাৰ্থ। আৰু (যিবিলাক কপটাচাৰী) সিহঁতে বুকু উঠি আল্লাৰ নামলৈ শপথ খায়, যদি তুমি সিহঁতক আদেশ দিয়া, সিহতে নিশ্চয় দেশ ত্যাগ কৰি ওলাই পৰিব। তুমি কোৱা তোমালোকে শপত নাখাবা; বৰং সংগত ভৰে বধ্য হৈ থকাটোৱে শ্ৰেয়। তোমালোকে যি কাৰ্য কৰা সেই বিষয়ে আল্লাহ নিশ্চিত পৰিজ্ঞাত। (হে মহম্মদ) তুমি আদেশ দিয়া আল্লাৰ বাধ্য হৈ থাকা, আৰু ৰছুলৰো বাধ্যতা স্বীকাৰ কৰা। কিন্তু যদি তোমালোকে ঘূৰি যোৱা তেন্তে যি ভাৰ ৰছুলজনৰ ওপৰত ন্যাস্ত কৰা হৈছে তেওঁ তাকে বহন কৰিব, আৰু তোমালোকৰ প্ৰতি যি ভাৰ অৰ্পন কৰা হৈছে তাকে বহন কৰা তোমালোকৰ কৰ্তব্য; কিন্ত যদি তেওঁৰ বাধ্য হোৱা তোমালোকে সুপথ লাভ কৰিবা (আৰু জানি ৰাখা) মানুহক স্পষ্টকৈ (আল্লাহৰ বাণী জ্ঞাপন কৰাত ভিন্ন ৰছুলৰ ওপৰত একো দয়িত্ব নাই)। তোমালোকৰ মাজত যিকলে (আল্লাত) বিশ্বাস স্থাপন কৰিছে সজ কাম কৰে তেওঁলোকক আল্লাই প্ৰদান কৰিছে এই প্ৰতিশ্ৰুতি নিশ্চয় তেওঁ তেওঁলোকক পৃথিৱীত আধিপত্য দান কৰিব যেনেকৈ তেওঁলোকৰ পূৰ্ববৰ্ত্তীবিলাকক তেওঁ আধিপত্য দান কৰিছিল। আৰু তেওঁলোকৰ কাৰণে যি ধৰ্ম বাছি দিছে তাকে তেওঁ নিশ্চয় তেওঁলোকৰ কাৰণে সুপ্ৰতিষ্ঠিত কৰিব; আৰু তেওঁলোকৰ ভীতিৰ পিছত তেওঁ তাৰ সলনি নিশ্চয় তেওঁলোকক অভয় আৰু শান্তি প্ৰদান কৰিব। তেওঁলোকে একমাত্ৰ মোৰে উপসনা কৰিব মোৰ সৈতে কোনো বস্তুকে অংশী নাপাতে। কিন্তু এনে সুখ শান্তি লাভ কৰাৰ পাছতো যিবিলাক সত্য প্ৰত্যাখান কৰিব সেইবিলাক (অবাধ্য) বিদ্ৰোহী। এতেকে তোমালোকে নামাজ প্ৰতিষ্ঠিত কৰা আৰু জাকাত দান কৰা আৰু ৰছুলৰ বাধ্য হৈ থাকিবা অতি সম্ভৱ তোমালোকৰ প্ৰতি (আল্লাহৰ) কৰুণা বৰ্ষণ হব। অবিশ্বাসীবিলাকে যে পৃথিবীত সদায় পৰাক্ৰমী হৈ থাকিব এনে অনুমানকে নকৰিবা, কিয়নো সিহঁতৰ আশ্ৰয় স্থল অগ্নিপূৰ্ণ নৰক, আৰু নৰকেই নিশ্চয় প্ৰত্যাবৰ্ত্তনৰ নিকৃষ্ট স্থান।

গতিকে আল্লাহ তায়ালা সকলো কথাই পংখানু পুংখ ৰূপে বৰ্ণনা কৰি দিছে তোমালোকে যিমানেই দাবী নকৰা কিয় যে আমি মোমিন আমি বিশ্বাস স্থাপনকাৰী, কিন্তু যেতিয়ালৈকে প্ৰত্যেক পৰীক্ষাত আৰু প্ৰত্যেক নিৰীক্ষণত দৃঢ়ভাৱে থাকি আল্লাহ আৰু তাৰ ৰছুলৰ নিৰ্দেশৰ ওপৰত মুকলি মুৰীয়া ভৱে পূৰ্ণ বিশ্বাসৰ সৈতে ধমল নকৰিনা তেতিয়ালৈকে তোমালোকে কৃতকাৰ্যতা লাভ কৰিব নোৱাৰা। গতিকে প্ৰকৃত কৃতকাৰ্যতা লাভ কৰিবলৈ আল্লাহ আৰু তাৰ ৰছুলৰ পূৰ্ণ আনুগত্য কৰা অতি

আৱশ্যকীয়।যদি আমি নজকে নজে গমি চাওঁ তেন্তে দেখিবলৈ পোৱা যাব যে আমাৰ মাজত আনুগত্যৰ মানচিত্ৰ বিৰাজিত নাই, যি আচলতে তকা উচিত। উক্ত আয়াত সমুহত যিমানবাৰ আনুগত্য সম্পৰ্কে আদেশ উপস্থাপন কৰিছে, সেয়া খিলাফত প্ৰতিষ্ঠিত ৰখাৰ প্ৰতিশ্ৰুতিৰ সৈতে উপস্থাপন কৰিছে। সেয়ে আল্লাহ্ তায়ালা কৈছে যে খিলাফতৰ নিজামও আল্লাহ্ আৰু তাৰ ৰছুলৰ আদেশ আৰু নিজামৰ অংশ। গতিকে খিলাফতৰ আদেশ নিষেধৰ আমল কৰাও আল্লাহ্ তায়ালাৰ আদেশ সমুহৰে এটা আদেশ। আহজৰত (ছাঃ)য়ে কৈছে যে যিজনে দ্ধাৰা নিযুক্ত আমিৰৰ আনুগত্য কৰিছে তেওঁ মোৰ আনুগত্য কৰিছে আৰো মোৰ আনুগত্য কৰোতাজনেই খোদা তায়ালাৰ আনুগত্যকাৰী। গতিকে খলিফা ওয়াক্তৰ আমুগত্য এনে সাধৰণ আমিৰৰ আনুগত্যতকৈ বহু বেছি আৱশ্যকীয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মই জানিব পাৰিছো যে কিছুমান প্ৰেছিডেণ্ট এনেকুৱা আছে যি সকলে জুন মাহলৈ ম্যাদদ ওকলি যোৱাৰ আগতেই নিজৰ দায়িত্বভাৰ এৰি দিছে।কিয় তেওঁলোকে এয়া কেববল এয়া ভাবি কাম কৰি আছেনে যে নিজেই স্থায়ীভাৱে পদত থাকিব? এনেকুৱা ধ্যাণ ধাৰণা দ্ধীনি বিষয়ত সমুলি স্বাৰ্থ পৰত্ৰৰ অন্তৰভূক্ত আৰু এয়া হল বিদ্ৰোহী চিন্তা ভাৱনা। আনফালে নিজকে নিজে খিলাফতৰ আনুগত্যৰ পৰিসীমাৰ বাহিৰ ওলোৱাৰ দৰে কমা। কাৰণ আগলৈ প্ৰেছিডেণ্টৰ কাৰ্যকাল ছয় বছৰলৈ বৃদ্ধি কৰাৰ নিমিত্তে খলিফা ওয়াক্তেই অনুমতি প্ৰদান কৰিছে গতিকে আমিও এতিয়াৰে পৰা মনোয়োগেৰে কাম কৰো। গতিকে এনেকুৱা লোকসকলে তাকওয়াৰ সৈতে কাম কৰা উচিত আৰু খোদা তায়ালাক ভয় কৰা উচিত। আঁহজৰত (ছাঃ)য়ে এবাৰ এই উদ্দেশ্য বয়াত লৈছিল যে শুনিম আৰু তাৰ আনুগত্য কৰিম, যদিও সেয়া পছন্দ হয় বা নহয় আকৌ আঁহজৰত (ছাঃ)য়ে কৈছে যে যিজনে আল্লাহ্ তায়ালাৰ আনুগত্যৰ পৰা নিজকে আঁতৰাই লব তেওঁ দিনা এনেকুৱা অৱস্থাত আল্লাহ্ তায়ালাক লগ পাব যে তাৰ ওচৰত নাথাকিব কোনো প্ৰমান আৰু কোনো আপত্তি কৰিব নোৱাৰে। আনফালে যিজনে যুগৰ ইমামৰ বয়াত(বৰ্তমান থকা অৱস্থাত) নকৰি মৃত্যুবৰণ কৰিছে তেওঁ অজ্ঞ আৰু ভ্ৰষ্টাচাৰত নিপতিত হৈ মৃত্যুবৰণ কৰছে। এনেক্ষেত্ৰত আমি সৌভাগ্যবান যে আমি বৰ্তমান থকা ইমামৰ বয়াত কৰিব পাৰিছোঁ আৰু অজ্ঞতাই আমাক স্পৰ্শ কৰিব পৰা নাই। কিন্তু যদি ইমামক গ্ৰহন কৰি লোৱাৰ পিছতো আমাৰ কাৰ্য্য আমল আদি অজ্ঞতাৰে ভৰা হয় তেন্তে অতি সাধাৰণ ভাৱে এয়া বয়াতৰ পৰিসীমা বহিৰ্ভূত হোৱাৰ দৰে কথা আৰু ইয়াৰ লগতে আল্লাহ্ আৰু তাৰ ৰছুলৰ আনুগত্যৰ পৰা আতঁৰি অহা বুলি সাব্যস্ত হয়। গতিকে বয়াত কৰাৰ পিছত নিজৰ চিন্তাধাৰা সজ আৰু শুদ্ধ ৰাখি পূৰ্ণ আনুগত্যৰ চানেকি প্ৰদৰ্শন কৰাটো অত্যন্ত জুৰুৰী বিষয়।

হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে সত্য আৰু সজ মনেৰে প্ৰত্যেক আদেশ পালন কৰিব যাতে খোদা তায়ালা সন্তুষ্ট থাকে আৰু বিৰুদ্ধবাদী সকলেও যেন জানিব পাৰে যে তেওঁ বয়াত কৰাৰ পিছত তেনেকুৱা নাই, যেনেদৰে আগতে আছিল। মোকদ্দমা আদিত সচাঁ সাক্ষী প্ৰদান কৰিবা। এই ছিলছিলাত অন্তভুক্ত হোৱা জনে পূৰ্ণ শক্তি আৰু মন প্ৰাণেৰে মুত্তাকী নেক সত্যবাদী হৈ যোৱা উচিত।

আকৌ আল্লাহ্ তায়ালা কৈছে যে- এওলোকে কঠোৰ শপথ লয় যে যদি তুমি আদেশ দিয়া তেন্তে এয়া কৰিম, সেয়া কৰিম, কিন্তু যেতিয়া আদেশ দিয়া হয় তেততিয়া পূৰ্ণভাবে পালন নকৰে। সেই বাবেই আল্লাহ্ তায়ালা কৈছে যে (তোমালোকে ডাঙৰ ডাঙৰ শপথ নলবা, ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি নিদিবা। যদি নিগুঢ় আনুগত্য কৰিব পাৰা, এনেকুৱা আনুগত্য যাক সাধাৰণ নিয়ম অনুযায়ী আনুগত্য বুলি গণ্য কৰা হয় তেন্তে আমি ধৰি লম যে তোমালোকে আদেশ মান্য কৰিছা, নহলে এয়া কেৱল মুখেৰে কৰা দাবী মাত্ৰ আল্লাহ তায়ালা তোমালোকে কৰা আমল সম্পৰ্কে ভলদৰে জানে আৰু তোমালোকৰ অন্তৰৰ অৱস্থাও জ্ঞাত। গতিকে সাধাৰণ আনুগত্য হল এয়া যে আল্লাহ্ তায়ালাৰ হক প্ৰদান কৰা আৰু তাৰ ইবাদতও নিয়মিত ভাৱে কৰি যোৱা। আজিকালি অৰ্থ্যাৎ ৰমজানত ইবাদতৰ প্ৰতি যি মনোযোগ নিৱদ্ধ হৈছে, সেয়া সদায় প্ৰচলিত আৰু প্ৰতিষ্ঠিত ৰাখা। আল্লাহ্ তায়ালাৰ আদেশ পালন কৰি তাৰ ভৃত্য সকলৰ অধিকাৰও প্ৰদান কৰি যোৱা, যেনেকৈ হজৰত মছিহ্ মাওউদ (আঃ) কৈছে যে সকলো ধৰণৰ বাদ বিবাদৰ পৰা দূৰত থাকা, সকলো ধৰণৰ চয়তানী আৰু লড়াই , কাজিয়া আদিৰ পৰা দূৰত থাকা,। নিজৰ চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰা। এনেকুৱা উত্তম চৰিত্ৰ যেন গঠন হয়, যিয়ে আহমাদী আৰু অআহমদীৰ মাজত থকা পাৰ্থক্যক স্পষ্টভাৱে দেখুৱাই দিয়ে। সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত থাকা কাৰণ সকলো ধৰণৰ নেকি অৰ্জন কৰাৰ প্ৰয়োজন আছে আৰু এয়াই নিগুঢ় আনগত্য। যাৰ আদেশ আল্লাহ্ তায়ালা প্ৰদান কৰিছে। ৰছুলুল্লাহ (ছাঃ)য়েও এই বিষয়েই আদেশ

আৰু হজৰত মছিহ মাওউদ (আঃ)য়েও এনেকুৱা ইচ্ছা প্ৰকাশ কৰিছে। আৰু ইয়াৰেই আদেশ প্ৰদান কৰিছে। সেই অনুসৰি আজি ১১১ বছৰ ধৰি খিলাফতে আহমদীয়াই এই আমলৰ প্ৰতি সকলোৰে মনোয়োগ আকৰ্ষণ কৰি আহিছে। গতিকে এই কথাখিনি সদায় মনত ৰাখিব যে খিলাফতৰ ফালৰ পৰা আল্লাহ আৰু ৰছুলৰ আনুগত্য বজাই ৰাখি ছৰিয়ত আৰু ছুন্নত অনুযায়ী হে সকলো আদেশ নিষেধ প্ৰদান কৰা হয় আৰু প্ৰদান কৰি থকা হব। আল্লাহ তায়ালা কৈছে যে যদি আনুগত্য কৰা তেন্তে হিদায়েত লাভ কৰিবা, নহলে ইয়াৰ বাহিৰে অইন কোনো মুক্তি বাট নাই।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে গতিকে যদি খিলাফতৰ কল্যানৰ পৰা প্ৰকৃত লাভ আহৰণ কৰিব বিচাৰে তেন্তে কেৱল নিজৰ ইবাদত ৰক্ষণা-বেক্ষণ কৰাই জুৰুৰী নহয় লগতে জাগতিক ইচ্ছা প্ৰবৃত্তিৰ শিৰিক সমূহৰ পৰাও দূৰত থকাৰ প্ৰয়োজন আছে। খলিফা ওয়াক্তৰ পূৰ্ণ আনুগত্য কৰাৰ প্ৰয়োজন আছে, নহলে নিজে গৈ অবাধ্য সকলৰ অন্তভূক্ত হব লাগিব, যেনেকৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে "বয়াতৰ পৰিসীমাৰ বাহিৰ ওলাই পৰিব"। গতিকে আল্লাহ তায়ালাৰ কৃপা লাভৰ অৰ্থে নিজৰ অৱস্থা, পৰিস্থিতি সুন্দৰ কৰি তোলাৰ প্ৰয়োজন আছে। যেতিয়া আল্লাহ তায়ালাৰ কৃপা আৰু কৰুণাৰ চাদৰক আমাক মেৰিয়াই লৈ লৱ তেতিয়া শত্ৰু সকলৰ সকলো ষড়যন্ত্ৰ মুলক পৰিকল্পনা তেওলোকৰ ওপৰতেই উবুৰি খাই পৰিব আৰু তেওলোকে তাৰ প্ৰতিফলন ভোগ কৰিব, ইনশা আল্লাহ।

এতিয়া মই হজৰত মুছলেহ মাওউদ (ৰাঃ)ৰ কিছুমান কথা আপোনালোকলৈ আগবঢ়াম। সেয়া হল হজৰত মছিহ মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত জামাতে কেনেকুৱা অৱস্থাৰ সন্মুখীন হৈছিল আৰু সকলোৱে কেনেদৰে ব্যাকুল হৈ পৰিছিল আৰু পিছতেই আল্লাহ তায়ালা কেনেদৰে খিলাফতৰ জৰিয়তে শান্তি প্ৰদান কৰিছিল। এখেত (ৰাঃ) য়ে কৈছে যে হজৰত মছিহ মাওউদ (আঃ)ৰ মৃত্যুৰ সময়ত জামাতৰ ভিতৰত তেনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হৈছিল, ঠিক যেনেকুৱা পৰিস্থিতি আহজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত চাহাবা সকলৰ মাজত উদ্ভৱ হৈছিল। আমি সকলোৱে এয়া ভৱিছিলো যে হজৰত মছিহ মাওউদ (আঃ)ৰ এতিয়াইৰ মৃত্যু নহয়। তাৰ ফল আছিল এয়া যে এক মিনিটৰ ভাৰেও আমাৰ ধাৰণা নহৈছিল যে হজৰত মছিহ মাওউদ (আঃ)ৰ যেতিয়া মৃত্যু হব, তেতিয়া কি অৱস্থা হব। যিহেতুআমাৰ মনৰ ধাৰণা এয়া আছিল যে আমাৰ সন্মুখত হজৰত মছিহ মাওউদ (আঃ)ৰ মৃত্যু নহয়, সেয়ে সচাঁকৈয়ে যেতিয়া তেখেত (আঃ)ৰ মৃত্যু হৈছিল, আমি বিশ্বাস কৰিবলৈ টান পাইছিলো যে মছিহ মাওউদ (আঃ) য়ে মৃত্যুবৰণ কৰিছে।

তেখেত (ৰাঃ) য়ে লিখিছে যে যেতিয়া হজৰত মছিহ মাওউদ (আঃ)ৰ মোবাৰক মৃতদেহ কাদিয়ানলৈ লৈ অনা হৈছিল,তেতিয়া সেয়া বাগানত থকা এখন ঘৰৰ ভিতৰত ৰখা হৈছিল। প্ৰায় আঠ কিবা ন বজাত খোৱাজা কামাল উদ্দিন চাহাবে সেই বাগানত গৈ উপস্থিত হৈছিল আৰু মোক পৃথকে মাতি নি পেলায় কৈছিল যে মিয়া এতিয়া কিবা ভাবিছানে যে হজৰত চাহাবাৰ মৃত্যুৰ পিছত কি অৱস্থা হব ? মই উত্তৰ দিছিলো কিবা এটা হবই লাগিব কিন্তু কি হব সেই বিষয়ে মই একো কব নোৱাৰো। যেতিয়া খোৱাজা চাহাবে কৈছিল যে মোৰ মতে আমি সকলোৱে হজৰত মৌলৱী চাহাব হজৰত খলিফাতুল মছিহ আউৱাল(ৰাঃ) ৰ ওচৰত বয়াত কৰি লোৱা উচিত। তেতিয়া মুছলেহ মাওউদ (ৰাঃ) য়ে কৈছিল যে এতিয়া বয়সৰ ফালৰ পৰা আৰু শিক্ষাৰ ফালৰ পৰা মোৰ জ্ঞান বহুত কম, তথাপি কৈছিলো যে হজৰত মছিহ মাওউদ (আঃ)য়ে দেখোন এয়া কতো লিখা নাই যে তেখেত (আঃ) ৰ পিছত অইন কোনোবাৰ বয়াত কৰিবা। গতিকে আমি কিয় মৌলৱী চাহাবৰ হাতত বয়াত কৰিম। তেখেত (ৰাঃ)য়ে লিখিছে যে দৰাচলতে আল অচিয়ত পুস্তকত এই বিষয়ে উল্লেখ আছিল কিন্তু সেই সময়ছোৱাত মোৰ মগজুত কথাখিনি অহা নাছিল। আকৌ খোৱাজা চাহাবে হজৰত খলিফাতুল মছিহ ছানিক কৈছিল যে মৌলৱী মহম্মদ আলী চাহাবৰও এয়াই মতামত। তেওঁ কৈছে যে গোটেই জমাতেই মৌলৱী চাহাবৰ হাতত বয়াত কৰা উচিত। মুছলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে অৱশেষত জামাতৰ সকলোৱে একমত হৈ হজৰত খলিফাতুল মছিহ আউৱালৰ ওচৰত অবদান জনাইছিল যে, তেখেতে লোকৰ বয়াত লৈ লব লাগে। ইয়াৰ পিছত সেই বাগানত জামাতৰ সকলো মানুহ গোট খাইছিল আৰু তাত হজৰত খলিফা আউৱাল (ৰাঃ)য়ে এটা ভাষন ৰাখিছিল। সেই ভাষনত কৈছিল যে মই ইমাম হোৱাৰ কোনো ইচ্ছা নকৰো, মই বিচাৰো যে অইন কোনোবাৰ হাতত বয়াত কৰা যাওঁক। কিন্তু আমি সকলোৱে একমত হৈ এয়া আবেদন কৰিছিলো যে এই খিলাফতৰ আসনৰ অধিকাৰী একমাত্ৰ আপুনীযেই গতিকে সকলো মানুহেই আপোনাৰ হাতত বয়াত কৰিব।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে কিছুমান বৰ্ণনা অনুসৰি খোৱাজা চাহাবে এই ঘোষনাটো ছপা কৰোৱাইছিল যে ৰাছালা আল অচিয়ত অনুসৰি আমি নিজৰ নিমিত্তে এজন আনুগত্যৰ উপযুক্ত খলিফা নিৰ্বাচন কৰি লোৱা উচিত আৰু ইয়াৰ হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) ৰ নাম প্ৰস্তাৱ কৰিছিল। যিয়েই নহওঁক তেওঁলোকে হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ)ৰ কৰি লৈছিল কিন্তু মনত যি খিলাফতৰ আমুগত্য হোৱা উচিত সেয়া হোৱা নাছিল। সেই কাৰণে লোকে সদায় এই চিন্তা আৰু চেষ্টা কৰিছিল যে কেনেকৈ আনজুমানক খিলাফতৰ ওপৰত প্ৰধান্য দিয়া যায় আৰু সকলো ক্ষমতা আনজুমানৰ জৰিয়তে দখল কৰি লোৱা য়ায়। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে খলিফা আউৱাল (ৰাঃ) ৰ হাতত বয়াত কৰাৰ পোন্ধৰ বিছ দিন মান পিছত এদিন মৌলৱী মহম্মমদ আলী চাহাবে মোক লগ ধৰি কৈছিল যে মিয়া চাহাব, আপুনি কেতিয়াবাএই বিষয়ে চিন্তা কৰিছেনে যে আমাৰ এই ছিলছিলাৰ নিজাম কেনেকৈ চলিব ? মই উত্তৰ দিছিলো যে এতিয়া আৰু সেই বিষয়ে চিন্তা কৰাৰ কি প্ৰয়োজন আছে। আমি হজৰত মৌলৱী চাহাবৰ হাতত বয়াত যিহেতু কৰি লৈছো সেয়ে আমাৰ কি চিন্তা তেতিয়া মহম্মদ আলি চাহাবে কৈছিল যে সেয়া ঠিকেই আছে, সেয়া হৈছে পীৰ: মুৰিদি। প্ৰশ্ন হল এই ছিলছিলাৰ নিজাম কেনেকৈ চলিব ? মই উত্তৰ দিছিলো যে এতিয়া আৰু সেই বিষয়টো মোৰ বোধেৰে ভাবিৱ লগীয়া একো নাই কাৰণ যিহেতুআমি এজন ব্যাক্তিৰ হাতত বয়াত কৰিছো, সেয় তেওঁৰেই নিশ্চয় বিষয়টো ভালদৰে বুজি পায় য়ে কেনেকৈ ছিলছিলাৰ নিজাম প্ৰতিষ্ঠিত কৰিব লাগিব। আমি তাত হস্তক্ষেপ কৰাৰ কি প্ৰয়োজন আছে ? এই কথা শুনি মৌলৱী চাহাৱে নিমাত হৈ গৈছিল যদিওঁ কৈছিল যে নিশ্চয় এয়া চিন্তাৰ বিষয়। মুঠতে মনত প্ৰবোধ অহা নাছিল। যিয়েই নহওঁক এইবোৰ বাক বিতণ্ডাৰ পৰা তেওঁলোকৰ মনৰ পৰ্দা উন্মোচন হৈ পৰিছিল যে তেওঁলোকে হজৰত খলিফাতুল মছিহ আউৱালৰ বয়াত কৰিছিল কিবা উদ্দেশ্য সাধনৰ নিমিত্তে মাত্ৰ, অন্তৰেৰে বয়াত কৰা নাছিল ! সেই কাৰণেই তেওঁলোকৰ মনত শান্তিৰ ছাঁ পৰা নাছিল। তেওঁলোকে পূৰ্ণ আনুগত্যৰ ভিতৰত থাকিব বিচৰা নাছিল আৰু এই আধ্যাত্মিক নিজামক জাগতিক এটা সংগঠনৰ দৰে চলাব বিচাৰিছিল। যাৰ ফলতেই এওঁলোকে নাম মাত্ৰেই ৰৈ গৈছে। কিন্তু খিলাফতৰ অধীনত চলা জামাত আজি আল্লাহৰ কৃপাত পৃথিবীৰ ২১২ খন দেশত প্ৰতিষ্ঠিত হৈ পৰিছে।

যিয়েই নহওঁক আল্লাহ তায়ালা খিলাফতৰ সৈতে সম্পৰ্কিত জমাতক উন্নতি প্ৰদান কৰি আছে, পৃথিবীৰ ব্যাপি এই জামাত বিস্তাৰ লাভ কৰিছে আৰু দূৰ দূৰণিত থাকিও মানুহহে খিলাফতৰ সৈতে বিশ্বাসৰ জৰী অটুট ৰাখিছে।আল্লাহ তায়ালা খিলাফত আৰু জমাতৰ সৈতে গুথি থকা সকলৰ ওপৰত তাৰ কৃপা বৰ্ষন কৰি থাকে আৰু তেওঁলোকৰ ফালে এই খিলাফতৰ কল্যাণ লৈও আনে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যোৱো জুাৰ খোদবাত মই এটা কথা উল্লেখ কৰিবলৈ পাহৰিছিলো যে যেতিয়া এই মছজিদৰ ভিত্তি স্থাপন কৰা হৈছিল তেতিয়া মই কানাডা ভ্ৰমণত আছিলো। মুঠতে ভিত্তি প্ৰস্তৰ ইটত মোৰ দ্বাৰা দোৱা কৰোৱাই লোৱা হৈছিল আৰু ১০ অক্টোবৰ ২০১৬ চনৰ দোৱাৰ সৈতে মকৰম উচমান চীনি চাহাবে মছজিদৰ ভিত্তি স্থাপন কৰিছিল। সেয়ে মই কব পাৰো যে আল্লাহৰ কৃপাত চীনি সম্প্ৰাদায়ৰ ইয়াত এটা বিশেষ অংশ আছে।সেয়ে আমি সদায় দোৱা কৰিব লাগিব যাতে আল্লাহ তায়ালা চীনত অতি সোনকালে ইছলামৰ বিস্তাৰ লাভৰ তৌফিক দান কৰে যেন। মকৰম উচমান চীনি চাহাবৰ ইচ্ছা আছিল যে কেনেবাকৈ যেন চীনত আহমদীয়াতৰ আৰু প্ৰকৃত ইছলাম বিস্তাৰ লাভ কৰিব পাৰে। আমি যত তেখেতৰ মৰ্যাদা উন্নীত হহোৱাৰ নিমিত্তে দোৱা কৰা উচিত তাত চীনত আৰু পৃথিববীৰ প্ৰত্যেক দেশত আহমদীয়াত অৰ্থ্যাৎ প্ৰকৃত ইছলাম বিস্তাৰৰ নিমিত্তে সদায় দোৱা কৰা উচিত।আল্লাহ তায়ালা আমাক ইয়াৰ বাবে তৌফিক দান কৰক। (আমিন)

**********

**(BOOK POST PARINTED MATTER)**

**Assamese Khulasa Khutba Jumma Huzoor Anwar 24 May.. 2019**

16

----------------------------------------------------------------------------------

----------------------------------------------------------------------------------

----------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**